# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 26-12-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে ভাৰতীয় জনতা পাৰ্টী, অসম ৰাজ্যিক কাৰ্যনিৰ্বাহ সভা।

২। পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিত উদ্ভৱ হোৱা হিংসাত্মক পৰিস্থিতি সন্দৰ্ভত আজি ত্ৰিপাক্ষিক আলোচনা।

৩। গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত প্ৰথম জি পি চি মহিলা সাংবাদিক সন্মিলন অনুষ্ঠিত।

আৰু

৪। অসম গ্ৰন্থমেলাৰ আজি তৃতীয় দিনা ‘ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ শ্ৰদ্ধাৰ্ঘ্য’ শীৰ্ষক আলোচনাসত্ৰৰ আয়োজন।

০০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে ভাৰতীয় জনতা পাৰ্টী, অসম ৰাজ্যিক কাৰ্যনিৰ্বাহ সভা অনুষ্ঠিত হ’ব। এই উপলক্ষে দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু সাংগঠনিক সম্পাদক ৰবীন্দ্ৰ ৰাজুৰ উপস্থিতিত কালি দলৰ বশিষ্ঠস্থিত মুখ্য কাৰ্যালয়ত দলীয় নেতা-কৰ্মীৰ উপস্থিতিত এখন প্ৰস্তুতিমূলক বৈঠক অনুষ্ঠিত হয়। ইতিমধ্যে সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক নিৰ্বাচন প্ৰবন্ধন সমিতিখন কালি গঠন কৰা হয়। সাংসদ প্ৰদান বৰুৱাক এই সমিতিৰ আহ্বায়কৰ দায়িত্ব অৰ্পণ কৰাৰ লগতে সাংসদ কামাখ্যা প্ৰসাদ তাচা, ৰাজদ্বীপ ৰয় আৰু অনুপ বৰ্মনক সহ-আহ্বায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে। এই সমিতিখন ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই ৩৫ জনীয়া এই নিৰ্বাচন প্ৰবন্ধন সমিতিখনত অনুমোদন জনায়। বিয়লি হ’বলগা ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰাৰ বাবে আজি দলৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি নীতিন নবীন গুৱাহাটীত উপস্থিত হ’ব।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিত উদ্ভৱ হোৱা হিংসাত্মক পৰিস্থিতি সন্দৰ্ভত আজি প্ৰতিবাদকাৰী, কাৰ্বি স্বায়ত্তশাসিত পৰিষদ আৰু ৰাজ্য চৰকাৰৰ মাজত ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত হ’ব। দিছপুৰত মুখ্যমন্ত্ৰীৰ সৈতে হ’বলগীয়া এই বৈঠকত কাৰ্বি যুৱ নেতা লিটচন ৰংফাৰৰ নেতৃত্বত আন্দোলনকাৰী প্ৰতিনিধিবৰ্গ আৰু কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং উপস্থিত থাকিব। বৈঠকত স্বায়ত্ত শাসিত পৰিষদৰ ২৬ টা সমষ্টিত একোজনকৈ প্ৰতিনিধিও উপস্থিত থাকিব। মুখ্য কাৰ্যবাহী সদস্য ৰংহাঙে কালি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে আলাপ-আলোচনাৰ মাজেৰে খেৰণিৰ সমস্যা সমাধানৰ চেষ্টা চলোৱা হ’ব। বৈঠকত কাৰ্বি পাহাৰৰ দুয়োখন জিলাৰ পিজিআৰ আৰু ভিজিআৰ ভূমিত বেদখল উচ্ছেদৰ ব্যৱস্থা আৰু পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হ’ব।

*আজিৰ আলোচনা সন্দৰ্ভত এয়া আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতা টুটু কোঁৱৰ –*

বাইট

খেৰণিৰ পৰিস্থিতি ক্ৰমাৎ স্বাভাৱিক হৈছে। কালিৰ দিনটোত অঞ্চলটোত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই। সেনা-আৰক্ষীয়ে পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। বিগত দিনকেইটাত সৃষ্টি হোৱা আতংকময় পৰিস্থিতিৰ পাছত অঞ্চলটোলৈ ক্ৰমাৎ শান্তি ঘূৰি আহিছে। পৰিস্থিতি কিছু স্বাভাৱিক হোৱাত সাধাৰণ জীৱনযাত্ৰা আৰম্ভ হৈছে। অঞ্চলটোৰ দুই-এখন ব্যৱসায়িক প্ৰতিষ্ঠানো খোলা পৰিলক্ষিত হৈছে।

০০০০০০০

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত প্ৰেছ ক্লাবৰ বাকৰিত আজি পুৱাৰে পৰা প্ৰথম জি পি চি মহিলা সাংবাদিক সন্মিলন অনুষ্ঠিত হৈছে। বহুসংখ্যক মহিলা সাংবাদিকৰ উপস্থিতিত প্ৰেছ ক্লাব অৱ্ ইণ্ডিয়াৰ নৱ-নিৰ্বাচিত সভাপতি সংগীতা বৰুৱা পিছাৰৌটিয়ে সন্মিলনখন উদ্বোধন কৰে। সন্মিলনত গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি খগেন কলিতা, বিশিষ্ট লেখিকা মাইনী মহন্ত, প্ৰতিদিন টাইমৰ পৰিচালন সঞ্চালক স্মীতাক্ষি বি গোস্বামী উপস্থিত আছে।

০০০০০০০

অসম গ্ৰন্থমেলাৰ আজি তৃতীয় দিন। অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত  পৰহিৰে পৰা অনুষ্ঠিত গ্ৰন্থমেলাত আজি দিনৰ আঢ়ৈ বজাত জন্ম শতবৰ্ষ শ্ৰদ্ধাৰ্ঘ্য শীৰ্ষক আলোচনাসত্ৰ অনুষ্ঠিত হ'ব। এই সত্ৰৰ আলোচ্য বিষয় – 'কবি, গীতিকাৰ কেশৱ মহন্তৰ গীত-কবিতাৰ মাধুৰ্য'। সাহিত্য সমালোচক তথা নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক অৰিন্দম বৰকটকীয়ে এই সত্ৰ সঞ্চালন কৰিব। কবি-সমালোচক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ডঃ এম কামালুদ্দিন আহমেদ আৰু লেখক, সমালোচক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ডঃ প্ৰাঞ্জল শৰ্মা বশিষ্ঠই অতিথি আলোচক হিচাপে অনুষ্ঠানত অংশ ল'ব। সন্ধিয়া পাঁচ বজাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

গ্ৰন্থমেলাত কালি দ্বিতীয় দিনা সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্মশতবৰ্ষৰ লগত সংগতি ৰাখি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ অংশ হিচাপে জুবিন গাৰ্গ সোঁৱৰণী প্ৰেক্ষাগৃহত **ডঃ ভূপেন হাজৰিকাৰ গীতত সমকালীনতা** শীৰ্ষক আলোচনা সত্ৰ অনুষ্ঠিত হয়। সত্ৰখন সঞ্চালনা কৰি বিশিষ্ট সাহিত্যিক তথা অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই কয়, যে সমকালীনতাৰ খিড়িকীৰে ডঃ ভূপেন হাজৰিকাৰ গীতৰ চিৰায়ত বিষয়টো বিচাৰ কৰি চাব পাৰি। তেওঁৰ গীতত সমকালীন বিষয়বস্তু বা সামাজিক ঘটনাক্ৰম গভীৰভাৱে প্ৰোথিত হৈ আছে বুলি শ্ৰী চলিহাই মন্তব্য কৰে। তেওঁ কয়, যে সমকালীন প্ৰেক্ষাপটত ডঃ ভূপেন হাজৰিকাই অসমীয়া জাতিক শুনাই থৈ যোৱা সতৰ্কবাণী এতিয়া ফলিয়াইছে। ভূপেন হাজৰিকাক তেওঁ ভৱিষ্যদ্ৰষ্টা শিল্পী বুলি অভিহিত কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি সুধাকণ্ঠৰ সহযোগী বাদ্যশিল্পী কমল কটকীয়ে ডঃ ভূপেন হাজৰিকাৰ সৃষ্টিয়ে সময় ধৰি ৰাখিছে বুলি  মন্তব্য কৰে। একেদৰে সংগীত শিল্পী ৰঞ্জন কুমাৰ বেজবৰুৱাই  ডঃ ভূপেন হাজৰিকাক এগৰাকী দাৰ্শনিক বুলি অভিহিত কৰে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত মাজুলী জিলাৰ মীন বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনি সন্দৰ্ভত জিলাখনৰ মীন বিষয়া ভদ্ৰেশ্বৰ মিলিৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ মাজুলী জিলাৰ সংবাদদাতা বিকাশ শইকীয়াই। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

ধুবুৰী জিলাৰ গোলকগঞ্জৰ হালাকুৰা বজাৰত যোৱানিশা এটা বিধবংসী অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডৰ ফলত ৯ খন ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত হয়। হালাকুৰা বজাৰত পুৰণি চিনেমা হলৰ সন্মুখত এই অগ্নিকাণ্ড সংঘটিত হয়। ৭ খনকৈ মটৰ চাইকেল আৰু প্ৰায় ৬০ লাখ টকাৰ সা-সামগ্ৰী জুইত জাহ যায়। পাছত ঘটনাস্থলীত অগ্নি নিৰ্বাপক বাহিনীয়ে প্ৰায় ৪ ঘণ্টা ধৰি চলোৱা অভিযানৰ ফলত জুই নুমোওৱা হয়। বৈদ্যুতিক শ্বৰ্ট ছাৰ্কিটৰ ফলত এই অগ্নিকাণ্ড সংঘটিত হৈছে বুলি আশংকা কৰা হৈছে। এই সন্দৰ্ভত আমাৰ ধুবুৰী জিলাৰ সংবাদদাতা প্ৰদীপ সাহাই এইদৰে কয় –

বাইট

০০০০০০০

শিৱসাগৰ আৰক্ষীয়ে জিলাখনৰ জেঙনিকটীয়াৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱানিশা অভিযান চলাই অবৈধভাৱে সৰবৰাহ কৰা ৪০ টা গৰু জব্দ কৰাৰ লগতে সৰবৰাহৰ লগত জড়িত ৫ জন লোকক আটক কৰে। তিনিচুকীয়াৰ বৰডুমচাৰ পৰা নগাঁৱৰ

ৰূপহীলৈ বুলি এখন মিনি ট্ৰাকত ৪০ টা গৰু লৈ অহা সৰবৰাহকাৰীকেইটা অধিক তথ্যৰ বাবে আৰক্ষীয়ে সোধাপোছা অব্যাহত ৰাখিছে।

০০০০০০০

সদৌ অসম মইনা পাৰিজাতৰ অষ্টদশ দ্বিবাৰ্ষিক শিশু সমাৰোহ আজিৰে পৰা গোলাঘাটৰ পোৰাবাংলাত জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব। ২৯ ডিচেম্বৰলৈ হ'বলগীয়া এই সমাৰোহত ২৩ খন জিলাৰ ৭ হাজাৰ শিশুৱে অংশগ্ৰহণ কৰিব। আয়োজক সমিতিয়ে ইতিমধ্যে সমাৰোহৰ প্ৰস্তুতি সম্পন্ন কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে। এই সমাৰোহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা অংশগ্ৰহণ কৰাৰ কথা।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা সোমবাৰে নৱনিৰ্মিত জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। উত্তৰ-পূৰ্বাঞ্চলৰ এই সৰ্ববৃহৎ প্ৰেক্ষাগৃহটোত একেলগে ৫ হাজাৰ লোকে বহা সুবিধা থাকিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে।

০০০০০০০

নলবাৰী জিলাৰ বেলশৰ থানাৰ অন্তৰ্গত পানীগাঁৱৰ ছেইণ্ট মেৰিজ ইংলিছ স্কুলত বৰদিন উদযাপনৰ সামগ্ৰী লণ্ড-ভণ্ড কৰা ঘটনাৰ সৈতে জড়িত চাৰিজন দুষ্কৃতিকাৰীক আটক কৰা হৈছে। অসম আৰক্ষীয়ে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰি দুষ্কৃতিকাৰীসকলৰ বিৰুদ্ধে তদন্ত অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই ঘটনা সন্দৰ্ভত মন্তব্য কৰি কয়, যে ৰাজ্যজুৰি শান্তি-সম্প্ৰীতি বৰ্তাই ৰখাৰ লগতে সকলো প্ৰতিষ্ঠান আৰু নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰিবলৈ চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ পৰিদৰ্শন বঙলাত তিৱা জনগোষ্ঠীয় সংগঠনসমূহৰ লগত প্ৰশাসনৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰী পীযুষ হাজৰিকাই সংগঠনসমূহৰ প্ৰতিনিধিবৰ্গৰ সৈতে পোনপটীয়াভাৱে মত বিনিময় কৰে। আলোচনাত সংগঠনসমূহে পূৰ্বে উত্থাপন কৰা বিভিন্ন দাবী আৰু সমস্যাৰ ওপৰত আলোকপাত কৰা হয়। বৈঠকত জিলা আয়ুক্ত অনামিকা তিৱাৰী, আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল আৰু জাগীৰোড সম-জিলাৰ আয়ুক্ত হৃদয় কুমাৰ দাস উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**